# -ঃ প্ৰস্তাৱনা ঃ-

আমি সদৌ কোচ-ৰাজবংশী জাতিৰ ছাত্ৰ সমাজে গুৰুত্ব সহকাৰে স্থিৰ কৰো যে কোচ-ৰাজবংশী জাতিৰ সামগ্ৰীক উন্নতিৰ বাবে সংস্কাৰ কামী মনোভাৱ আৰু চেতনাবোধেৰে উদ্দীপ্ত এক বিজ্ঞান সন্মত সমাজ গঢ়াৰ নীতিৰে কাম কৰি যাবলৈ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ন্যায় চিন্তা প্ৰকাশৰ ধাৰণা আৰু বিশ্বাসৰ স্বাধীনতা, মৰ্য্যদা আৰু সুবিচাৰৰ সমানতা, ব্যক্তিত্বৰ সন্মান আৰু জাতিৰ ঐক্য অটুট ৰাখি ভাতৃত্ব ভাব আহৰণ কৰিবলৈ আৰু গঢ়ি তুলিবলৈ প্ৰচেষ্টাত ব্ৰতী হৈ জাতিটোক সংগঠিত কৰিবলৈ জাতিৰ এক অ-ৰাজনৈতিক ছাত্ৰ সংগঠন কৰিম।

দোলাইগাওঁত বহা আমাৰ সাধাৰণ সভাত আজি ১১৯৩ চন ২০ ডিচেম্বৰ তাৰিখে আমি ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিলো। ইয়াক কাৰ্য্যকৰী কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হলোঁ।

সম্থাৰ হৈ -
সংবিধান প্ৰস্তুতকাৰী সমিতি
শ্ৰী বিজিত নাৰায়ণ ৰায়, আহ্বায়ক
কুমাৰ ৰাজনাৰায়ণ দেব, সদস্য

অনুচ্ছেদ ১ ঃ নাম ঃ-

সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা
সংক্ষেপে - আক্ৰাছু
ইংৰাজীত - ALL KOCH RAJBANSHI STUDENTS' UNION

অনুচ্ছেদ ২ ঃ এক্তিয়াৰ ঃ- অসম ৰাজ্য আৰু উত্তৰ বঙ্গ।

অনুচ্ছেদ ৩ ঃ মূখ্য কাৰ্য্যালয় ঃ- বঙাইগাওঁ (Bongaigaon)

অনুচ্ছেদ ৪ ঃ প্ৰতীক চিহ্ন ঃ- ঢাল, তৰোৱাল, খাপৰ সন্নিবিষ্ট থাকিব।

অনুচ্ছেদ ৫ ঃ পতাকা ঃ- ৩ ঃ ২ অনুপাতিক আয়তনৰ বগা আওঁচা এখনৰ বাও ফালে ঢাল, তৰোৱাল আৰু খাপৰ সন্নিবিষ্ট সন্থাৰ প্ৰতীক চিহ্ন অংকিত কৰিব লাগিব আৰু সোঁফালে পতাকাৰ এক চতুৰ্থাংশ ত্ৰিভূজ আকাৰৰ বঙা আৰু হালধীয়া ৰং সন্নিবিষ্ট থাকিব।

অনুচ্ছেদ ৬ ঃ লক্ষ্য আৰু উদ্দেশ্য (Aim and Objective)

ধাৰা (ক) কোনো সংগঠন আৰু ৰাজনৈতিক দলৰ প্ৰতি অনুগত্য নথকা এটা জাতিগত ছাত্ৰ সংগঠন গঠন কৰা।

ধাৰা (খ) কোচ ৰাজবংশী জাতিৰ লোকৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক আৰু ভাষীক স্বাৰ্থ সুৰক্ষা হেতু ঐতিকহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠন কৰা।

ধাৰা (গ) অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, শৈক্ষিক শোষণৰ পৰা জাতিৰ লোকক মুক্ত কৰিবলৈ প্ৰচেষ্টা চলোৱা।

ধাৰা (ঘ) কোচ ৰাজবংশী জাতিৰ লোক সকলৰ অবস্থাৰ উন্নতিৰ হকে উপযুক্ত বিধায়িনী ব্যৱস্থা, সাংবিধানিক প্ৰদত্ত অধিকাৰ অনুসূচিত জনজাতি (সমতল) মৰ্য্যাদা লাভৰ প্ৰচেষ্টা চলোৱা, জাতিটোৰ কল্যাণ বিষয়ক বিধি ব্যৱস্থা সমূহৰ কাৰ্য্যকৰীকৰণ নিশ্চিত কৰা আৰু আত্ম নিয়ন্ত্ৰণৰ সাংবিধানিক অধিকাৰ সাব্যস্ত কৰা।

ধাৰা (ঙ) সকলো পৰ্য্যায়তে জাতিৰ লোকৰ মাজত ভ্ৰাতৃত্ব, সমতা আৰু সহযোগিতাৰ ভাৱ জগাই তুলি এক শক্তিশালী জাতিৰ সমাজ গঠনত প্ৰচেষ্টা চলোৱা।

ধাৰা (চ) জাতিটোৰ লোকৰ অভাৱ-অভিযোগ দুৰীকৰণ তথা নায্য দাবী পুৰণৰ বাবে প্ৰয়োজন বোধে প্ৰতিবাদৰ গণতান্ত্ৰিক ব্যৱস্থা লোৱা।

ধাৰা (ছ) অন্যান্য সমভাবাপন্ন সংগঠনৰ সৈতে সহযোগ আৰু সম্পৰ্ক স্থাপনৰ যোগেদি জাতিটোৰ স্বাৰ্থৰ হকে কাম কৰা।

ধাৰা (জ) যি কোনো দলৰ ৰাজনৈতিক স্বাৰ্থত কোচ-ৰাজবংশী জাতিৰ জনসাধাৰণক যাতে অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে সচেতনতাৰে জনমত গঠন কৰা।

ধাৰা (ঝ) সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ জাতিটোৰ লোকসকলক উদ্বুদ্ধ কৰা আৰু প্ৰথমে ৰাজ্যখনৰ পৰা পৰ্য্যায়ক্ৰমে সমগ্ৰ দেশৰ সৰ্ব্বাঙ্গীন উন্নতি কৰা।

OKDISCD

অনুচ্ছেদ ৭ ঃ কৰ্ত্তব্য ঃ-

লক্ষ্য আৰু উদ্দেশ্যত উপনীত হবলৈ কোচ ৰাজবংশী ছাত্ৰ সন্থাই তলত দিয়া কৰ্য্যসূচীত আত্ম নিয়োগ কৰিব

ধাৰা (ক) জাতিটোৰ লোক সকলক ঐক্যবদ্ধ কৰি সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক আৰু ভাষীক অৱস্থাৰ উন্নয়ণ সাধন কৰিবলৈ তথা উন্নতিৰ হকে অবিৰামভাবে সংগ্ৰাম চলোৱা।

ধাৰা (খ) ছাত্ৰ সন্থাৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ প্ৰচাৰ কৰাৰ বৰে আৰু জাতিটোৰ সচেতনতা বৃদ্ধি কৰিবলৈ পত্ৰিকা, ইস্তাহাৰ আৰু আলোচনী আদি প্ৰকাশ কৰা।

ধাৰা (গ) বিভিন্ন সভা-সমিতি, জন সমাবেশ আয়োজন কৰা।

ধাৰা (ঘ) সন্থাৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ কাৰ্য্যতঃ সাধন কৰা বাবে পন্থা আৰু পাথেয় উদ্‌ঘাটন কৰিবলৈ জাতিটোৰ মাজত আলোচনা সভা অনুষ্ঠিত কৰা।

অনুচ্ছেদ ৮ ঃ সদস্য ভুক্তিকৰণ ঃ-

ধাৰা (ক) সন্থাৰ সদস্য হোৱাৰ বাবে উপযুক্ত হবলৈ কোচ-ৰাজবংশী জাতিৰ ছাত্ৰ-ছাত্ৰী হব লাগিব।

ধাৰা (খ) সন্থাৰ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতি আনুগত্য থাকিব লাগিব।

ধাৰা (গ) নিৰ্দিষ্ট মূল্যৰ ভৰ্ত্তি মাচুল দিব লাগিব।

ধাৰা (ঘ) এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে কোনো এটা আঞ্চলিক সদস্য/সদস্যা হব লাগিব।

অনুচ্ছেদ ৯ ঃ সাংগঠনিক গাঁঠনি ঃ-

সন্থাৰ গঠন পদ্ধতি তিনি তৰপীয়া হব। এই তিনি তৰপৰ থাকিব যথাক্ৰমে -

ধাৰা (ক) আঞ্চলিক সন্থা

উপাধাৰা (ক) কেইবাখনো গাওঁ/চহৰ অঞ্চল বিশেষৰ এক্তিয়াৰেই আঞ্চলিক সমিতিৰ এক্তিয়াৰ হব।

উপধাৰা (খ) আঞ্চলিকৰ এক্তিয়াৰভুক্ত এলেকা সমূহৰ সদস্য/সদস্যা সাধাৰণ সভাই আঞ্চলিক সন্থা গঠন কৰিব।

উপধাৰা (গ) আঞ্চলিক সন্থা গঠন পদ্ধতি কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ দৰে একে হব।

ধাৰা (খ) জিলা সমিতি

উপধাৰা (ক) প্ৰত্যেক প্ৰশাসনীয় জিলাৰ সন্থাৰ এক্তিয়াৰ হ'ব।

উপধাৰা (খ) প্ৰশাসনীয় জিলাৰ অন্তৰ্গত প্ৰত্যেক আঞ্চলিক সন্থাই নিৰ্বাচিত কৰি পঠিওৱা সকলৰ সাধাৰণ সভাই জিলা জিলা সমিতি গঠন কৰিব।

ধাৰা (গ) কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক

উপধাৰা (ক) প্ৰত্যেক জিলাৰ পৰা জিলাৰ কাৰ্য্যনিৰ্বাহকে নিৰ্বচিত কৰি পঠিওৱা সমন সংখ্যক প্ৰতিনিধিৰে কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক গঠিত হ'ব।

উপধাৰা (খ) প্ৰয়োজনবোধে প্ৰশাসনিক আৰু সাংগঠনিক ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি জিলাৰ প্ৰতিনিধিৰ সংখ্যা কম-বেছি কৰিব পৰা যাব কিন্তু মুঠ জিলাৰ প্ৰতিনিধি কেন্দ্ৰীয় সমিতিত ৩১ জনৰ বেছি হ'ব নোৱাৰিব।

উপধাৰা (গ) কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ সদস্য সকলৰ পদবী আৰু বিতৰণ তলত দিয়া ধৰণে হ'ব।

| | | |
|---|---|---|
| ১। | সভাপতি | ১ |
| ২। | উপ-সভাপতি | ২ |
| ৩। | সাধাৰণ সম্পাদক | ১ |
| ৪। | সহকাৰী সাধাৰণ সম্পাদক | ২ |
| ৫। | বিত্ত সম্পাদক | ১ |
| ৬। | প্ৰচাৰ সম্পাদক | ১ |
| ৭। | কাৰ্য্যালয় সম্পাদক | ১ |
| ৮। | শিক্ষা আৰু সমাজ সেৱা সম্পাদক | ১ |
| ৯। | সাংগঠনিক সম্পাদক | ১০ |
| ১০। | সাংস্কৃতিক সম্পাদক | ১ |
| ১১। | কাৰ্য্যনিৰ্বাহক সদস্য | ১০ |



OKDISCD

উপধাৰা (ঘ) সাধাৰণ অধিবেশনত জিলাৰ কাৰ্য্যনিৰ্বাহকে নিৰ্বাচিত কৰি কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকলৈ পঠিওৱা প্ৰতিনিধি সকলেহে উপৰোক্ত পদাধিকাৰী সকলক নিৰ্বাচিত কৰিব পাৰিব। বিত্ত সম্পাদক আৰু কাৰ্য্যালয় সম্পাদক জনক সভাপতি আৰু সাধাৰণ সম্পাদকে কাৰ্য্যনিৰ্বাহিকৰ অনুমতি সাপেক্ষে মনোনীত কৰিব লাগিব।

অনুচ্ছেদ ১০ ঃ সাধাৰণ অধিবেশন আৰু ইয়াৰ গঠন পদ্ধতি

ধাৰা (ক) প্ৰত্যেক জিলাৰ সমান সংখ্যক প্ৰতিনিধিয়ে সাধাৰণ অধিবেশনত অংশগ্ৰহণ কৰিব পাৰিব।

ধাৰা (খ) এই সংখ্যা কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে নিৰ্ধাৰণ কৰি দিব।

ধাৰা (গ) জিলা সমিতি সমূহে প্ৰতিনিধিৰ সংখ্যা আঞ্চলিকৰ মাজত সমবিতৰণ কৰি আঞ্চলিকৰ নিজ অংশৰ প্ৰতিনিধিৰ নিৰ্বাচন কৰিবলৈ নিৰ্দ্দেশ দিব।

ধাৰা (ঘ) প্ৰতিনিধি নিৰ্বাচন সৰ্বসম্মতিক্ৰমে নহলে গোপন ভোটৰ সহায়ত হ'ব।

ধাৰা (ঙ) প্ৰতিনিধি সকলৰ বাবে প্ৰাৰ্থী হোৱাজন সন্থাৰ নিয়মীয়া সদস্য হ'ব লাগিব।

ধাৰা (চ) সাধাৰণ অধিবেশন সাধাৰণতে দুবছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত কৰিব লাগিব। কিন্তু সাংগঠনিক দিশৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্য্যনিৰ্বাহকে সাধাৰণ সভা আহ্বান কৰি অধিবেশনৰ সময় এবছৰ পিছলৈ নিব পাৰিব।

ধাৰা (ছ) অধিবেশনৰ স্থান নিৰ্ধাৰণ আৰু জাননী ঃ-

উপধাৰা (ক) পৰবৰ্ত্তী অধিবেশনৰ কাৰণে আঞ্চলিক সমিতি সমূহৰ নিমন্ত্ৰণ বিবেচনা কৰি স্থান নিৰ্ধাৰণ কৰা হ'ব।

উপধাৰা (খ) অধিবেশনৰ তাৰিখ এমাহ আগতে ঘোষণা কৰিব লাগিব।

উপধাৰা (গ) অধিবেশনৰ নিমন্ত্ৰণী চিঠিত আদৰণি সমিতিৰ সভাপতি, সম্পাদক আৰু সন্থাৰ সভাপতি, সাধাৰণ সম্পাদকৰ নাম থাকিব।

অনুচ্ছেদ ১১ ঃ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ অধিকাৰ, দায়িত্ব আৰু কৰ্ত্তব্য।

ধাৰা (ক) দুই সাধাৰণ অধিবেশনৰ সময় চোৱাত কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে সৰ্বোচ্চ সন্থা হব।

ধাৰা (খ) সাধাৰণ অধিবেশনৰ সিদ্ধান্ত সমূহ কাৰ্য্যকৰী কৰাৰ দায়িত্ব আৰু ভাৰ কেন্দ্ৰীয় সমিতিৰ ওপৰত থাকিব।

ধাৰা (গ) সন্থাৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হবলৈ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ সামূহিক দায়িত্ব থাকিব।

ধাৰা (ঘ) জিলা আৰু আঞ্চলিক সন্থাৰ মাজত সমন্বয় ৰক্ষা কৰিব।

ধাৰা (ঙ) সাধৰণ সদশ্য, আঞ্চলিক, জিলা সন্থাৰ পৰা অহা সকলো অভিযোগ নিস্পতি কৰিব। অভিযোগ পোৱাৰ এমাহৰ ভিতৰতে অভিযোগ নিস্পতি কৰিব লাগিব।

ধাৰা (চ) জাননী ঃ-

উপধাৰা (ক) সাধাৰণ সভাৰ বাবে ১৫ দিনৰ আগতে জাননী দিব লাগিব।

উপধাৰা (খ) জৰুৰী সভাৰ বাবে ৭ দিনৰ আগতে জাননী দিব লাগিব।

উপধাৰা (গ) সাধাৰণ সভা তথা কাৰ্য্যনিৰ্বাহক সভাৰ বাবে বাতৰি কাকতযোগেও জাননী দিব পাৰিব।

ধাৰা (ছ) মূল গঠন ঃ-

উপধাৰা (ক) কাৰ্য্যনিৰ্বাহক তথা সাধাৰণ সভাৰ বাবে সমূহ সদস্যৰ ২/৩ ভাগ সদস্য উপস্থিত থাকিলে সভা বৈধ হব।

উপধাৰা (খ) জৰুৰী কাৰ্য্যনিৰ্বাহক সভাৰ বাবে ১/৩ ভাগ সদস্য উপস্থিত থাকিলে সভা বৈধ হব।

ধাৰা (জ) অনুশাসনহীনতা ঃ-

ধাৰা (ক) সন্থাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিৰুদ্ধে কাম কৰা যি কোনো সদশ্যকে সন্থাৰ বহিস্কৃত কৰিব পাৰিব বা তেনে সদস্যৰ ওপৰত জৰুৰী অনুশাসনীয় ব্যৱস্থা লব পাৰিব।

ধাৰা (খ) ওপৰত উল্লেখিত বিষয়ত সাংবিধানিক নীতি অবলম্বন কৰিব লাগিব।

ধাৰা (গ) তিনিখন কাৰ্য্যনিৰ্বাহকৰ সভাত উপস্থিত নাথাকিলে যি কোনো সদস্যক অনুশাসন বিৰোধী বুলি গণ্য কৰি ব্যৱস্থা লব পাৰিব।

ধাৰা (ঝ) প্ৰয়োজন সাপেক্ষে সদস্য আৰু আন অভিজ্ঞ ব্যক্তিক লৈ বিভিন্ন সমিতি গঠন কৰিব পাৰিব।

ধাৰা (ঞ) বহিস্কৃত বা পদত্যাগ কৰা সদস্যৰ স্থান পূৰণ ঃ-

উপধাৰা (ক) কোনো আঞ্চলিক/জিলাৰ প্ৰতিনিধি বহিস্কৃত হলে বা পদত্যাগ কৰিলে কাৰ্য্যনিৰ্বাহকে চূড়ান্ত সিদ্ধান্ত লোৱাৰ ২০ দিনৰ আগতে ওপৰোক্ত বিষয়ৰ আঞ্চলিক/জিলা কাৰ্য্যনিৰ্বাহকৰ নতুন প্ৰতিনিধি নিৰ্বাচনৰ জাননী দিব পাৰিব।

OKDISCD

উপধাৰা (খ) সভাপতি/সাধাৰণ সম্পাদক বহিস্কৃত বা পদত্যাগ কৰিলে যথাক্ৰমে উপ সভাপতি/সহকাৰী সাধাৰণ সম্পাদকক কাৰ্য্যনিৰ্বাহকে দায়িত্ব ভাৰ অৰ্পন কৰিব পাৰিব।

অনুচ্ছেদ ১২ ঃ পদাধিকাৰীৰ দায়িত্ব, অধিকাৰ আৰু কৰ্ত্তব্য –

ধাৰা (ক) সভাপতি

উপধাৰা (ক) সাধাৰণ সভাত সভাপতি নিৰ্বাচন কৰা হব।

উপধাৰা (খ) সভাপতিৰ কাৰ্য্যকাল নিৰ্ব্বাচিত হোৱা দিনৰ পৰা পৰবৰ্ত্তী অধিবেশনলৈ হব।

উপধাৰা (গ) সভাপতি সন্থাৰ প্ৰশাসনীয় মুৰব্বী হিচাবে গণ্য কৰা হ'ব। কাৰ্য্যনিৰ্বাহকৰ সাধাৰণ অধিবেশনৰ সকলো বৈঠকত সভাপতিয়ে সভাপতিত্ব কৰিব।

উপধাৰা (ঘ) কোনো বিষয়ত কাৰ্য্যনিৰ্ব্বাহকে সিদ্ধান্ত লওঁতে সমানে বিভক্ত হলে সভাপতি নিৰ্দ্ধাৰক ভোট দিব পাৰিব।

ধাৰা (খ) উপ সভাপতি –

উপধাৰা (খ) উপ সভাপতি –

উপধাৰা (ক) সাধাৰণ অধিবেশনত উপ সভাপতি নিৰ্বাচন কৰা হব।

উপধাৰা (খ) সভাপতিৰ অনুপস্থিতিত বা অক্ষমতাত উপ-সভাপতিয়ে কাৰ্য্যনিৰ্বাহকৰ অনুমতি সাপেক্ষে সভাপতিৰ দায়িত্ব পালন কৰিব।

উপধাৰা (গ) উপ সভাপতিৰ কাৰ্য্যকালৰ সমানে হ'ব।

ধাৰা (গ) সাধাৰণ সম্পাদক–

উপধাৰা (ক) সাধাৰণ অধিবেশনত সাধাৰণ সম্পাদক নিৰ্বাচিত হব।

উপধাৰা (খ) সভাপতিৰ দৰে সাধাৰণ সম্পাদকৰ কাৰ্য্যকাল হব।

উপধাৰা (গ) সন্থাৰ সকলো তথ্যপাতি, কাৰ্য্যবিৱৰণী আৰু কাৰ্য্যনিৰ্বাহকে ন্যস্ত কৰা যিকোনো সম্পত্তিৰ ৰক্ষক সাধাৰণ সম্পাদক।

উপধাৰা (ঘ) সন্থাৰ মাৰফৎ হোৱা সকলোবোৰ চুক্তি, কাৰ্য্য আঁচনি আদি পৰীক্ষা কৰা আৰু চহী কৰাৰ দায়িত্ব সাধাৰণ সম্পাদকৰ।

উপধাৰা (ঙ) কাৰ্য্যনিৰ্বাহকৰ বৈঠক আহ্বান কৰা।

উপধাৰা (চ) কাৰ্য্যকৰী সভাত সাধাৰণ সম্পাদকে পূৰ্ব্বৰ কাৰ্য্যনিৰ্বাহকৰ কাৰ্য্যবিৱৰণী পাঠ কৰিব লাগিব।

উপধাৰা (ছ) অবস্থান পৰিপ্ৰেক্ষিতত সাধাৰণ সম্পাদকে সভাপতিৰ অনুমতি সাপেক্ষে জৰুৰী কাৰ্য্যনিৰ্বাহক আহ্বান কৰিব পাৰিব।

ধাৰা (ঘ) সহকাৰী সাধাৰণ সম্পাদক–

উপধাৰা (ক) সাধাৰণ সম্পাদকৰ অনুপস্থিতিত অথবা অক্ষমতাত সহকাৰী সাধাৰণ সম্পাদকে সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰিব পাৰিব।

উপধাৰা (খ) সহঃ সাধাৰণ সম্পাদকৰ কাৰ্য্যকাল সাধাৰণ সম্পাদকৰ সমানে হব।

ধাৰা (ঙ) বিত্ত সম্পাদক–

উপধাৰা (ক) কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ সাপেক্ষে সভাপতি আৰু সাধাৰণ সম্পাদকে বিত্ত সম্পাদক নিযুক্ত কৰিব।

উপধাৰা (খ) সন্থাৰ পুঁজি পৰিচালনাৰ ভাৰ বিত্ত সম্পাদকৰ।

উপধাৰা (গ) সন্থাৰ পুঁজি গঠন সম্পৰ্কত পৰামৰ্শ দিব পাৰিব।

উপধাৰা (ঘ) বিত্ত সম্পাদকে বিত্ত বিষয়ক প্ৰতিবেদন সাধাৰণ সভাত নাইবা অধিবেশনত দাখিল কৰিব পাৰিব।

উপধাৰা (ঙ) বিত্ত বিষয়ক যিকোনো স্পষ্টীকৰণ বিত্ত সম্পাদকে দাঙি ধৰিব লাগিব।

উপধাৰা (চ) বিত্ত সম্পাদকৰ কাৰ্য্যকাল কাৰ্য্যনিৰ্বাহকে বিত্ত সম্পাদক হিচাবে মনোনীত কৰা দিনৰ পৰা পৰবৰ্ত্তী সাধাৰণ অধিবেশনলৈ হব।

ধাৰা (চ) প্ৰচাৰ সম্পাদক–

উপধাৰা (ক) সাধাৰণ অধিবেশনত প্ৰচাৰ সম্পাদক নিৰ্বাচিত হব।

উপধাৰা (খ) প্ৰচাৰ সম্পাদকৰ কাৰ্য্যকাল সভাপতিৰ কাৰ্য্যকালৰ সমান হব।

উপধাৰা (গ) সন্থাৰ সকলো বিষয়ক প্ৰচাৰ পত্ৰিকা প্ৰচাৰ সম্পাদকৰ দ্বাৰা প্ৰকাশ হব।

OKDISCD

ধাৰা (ছ) কাৰ্য্যালয় সম্পাদক-

উপধাৰা (ক) সভাপতি, সাধাৰণ সম্পাদকে কাৰ্য্যনিৰ্বাহকৰ অনুমতি সাপেক্ষে এজনক কাৰ্য্যালয় সম্পাদক হিচাবে নিযুক্তি কৰিব।

উপধাৰা (খ) কাৰ্য্যালয়ৰ সকলো কাম কাৰ্য্যালয় সম্পাদকে কৰিব।

উপধাৰা (গ) আন আন সদস্যসকলৰ লগত কাৰ্য্যালয়ৰ যোগাযোগ ৰাখিব।

ধাৰা (জ) শিক্ষা আৰু সমাজ সেবা সম্পাদক-

উপধাৰা (ক) সাধাৰণ অধিবেশনত শিক্ষা আৰু সমাজ সেবা সম্পাদক নিৰ্বাচিত হব।

উপধাৰা(খ) সভাপতিৰ কাৰ্য্যকালৰ সমানে শিক্ষা আৰু সমাজ সেবা সম্পাদকৰ কাৰ্য্যকাল হব।

উপধাৰা (গ) সন্থাৰ সদস্য সকলৰ মাজত সুস্থ শৈক্ষিক বাতাবৰণ আৰু সামাজিক সচেতনতা বৃদ্ধিৰ বাবে শিক্ষা আৰু সমাজ সেবা সম্পাদকে যাবতীয় ব্যৱস্থা লব।

উপধাৰা (ঘ) শিক্ষা সংক্ৰান্তীয় আলোচনা চক্ৰ, সামাজিক সচেতনতা বৃদ্ধিৰ বাবে সভা সমিতি অনুষ্ঠিত কৰাৰ উপৰিও সামাজিক কাম কাজত সন্থাৰ অনুমতি সাপেক্ষে সেৱা আগবঢ়াবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

ধাৰা (ঝ) সাংগঠনিক সম্পাদক -

উপধাৰা (ক) সাধাৰণ অধিবেশনত সাংগঠনিক সম্পাদক নিৰ্বাচিত হব।

উপধাৰা (খ) সভাপতিৰ কাৰ্য্যকালৰ সমানে সাংগঠনিক সম্পাদকৰ কাৰ্য্যকাল হব।

উপধাৰা (গ) সাংগঠনিক সকলো দায়িত্ব কাৰ্য্যনিৰ্বাহকৰ অনুমতি সাপেক্ষে সাংগঠনিক সম্পাদক সকলে পালন কৰিব।

ধাৰা (ঞ) সাংস্কৃতিক সম্পাদক-

উপধাৰা (ক) সাধাৰণ অধিবেশনত সাংস্কৃতিক সম্পাদক নিৰ্বাচিত হব।

উপধাৰা (খ) সভাপতিৰ কাৰ্য্যকালৰ সমানে সাংস্কৃতিক সম্পাদকৰ কাৰ্য্যকাল হব।

উপধাৰা (গ) কোচ ৰাজবংশী জাতিৰ লোকৰ মাজত জাতিটোৰ কৃষ্টি-সংস্কৃতি সন্দৰ্ভত সচেতনতা বৃদ্ধিৰ বাবে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

উপধাৰা (ঘ) কোচ ৰাজবংশী জাতিৰ কৃষ্টি-সংস্কৃতিৰ আধাৰত সময়ে সময়ে সাংস্কৃতিক সমাৰোহ আদি অনুষ্ঠিত কৰিব পাৰিব।

উপধাৰা (ঙ) কোচ-ৰাজবংশী জাতিৰ কৃষ্টি-সংস্কৃতি বিকাশাৰ্থে কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকক পৰামৰ্শ আদি দিব পাৰিব।

অনুচ্ছেদ ১৩ ঃ কাৰ্য্যনিৰ্বাহকৰ শপথ গ্ৰহণ আৰু দায়িত্ব ভাৰ-

ধাৰা (ক) নতুন কাৰ্য্যনিৰ্বাহকে সাধাৰণ অধিবেশনৰ শেষৰ দিনা আনুষ্ঠানিক ভাবে সন্থাৰ লক্ষ্য আৰু উদ্দেশ্য কাৰ্য্যকৰীকৰণৰ বাবে শপথ গ্ৰহণ কৰিব।

ধাৰ (খ) মই শ্ৰী ................ এ সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ পতাকা আৰু সংবিধানৰ নামত শপথ গ্ৰহণ কৰোঁ যে মই সন্থাৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে মোৰ ওপৰত ন্যস্ত সকলো দায়িত্ব, নিষ্ঠা আৰু সততাৰে পালন কৰিম বুলি প্ৰতিজ্ঞা কৰিলোঁ।

ধাৰা (গ) আনুষ্ঠানিক শপথ গ্ৰহণৰ পিছতে বিদায়ী কাৰ্য্যনিৰ্বাহকে পদত্যাগ কৰিব আৰু নতুন কাৰ্য্যনিৰ্বাহকক দায়িত্ব ভাৰ আৰ্পন কৰিব।

অনুচ্ছেদ ১৪ ঃ সন্থাৰ পুঁজি

ধাৰা (ক) সন্থাৰ নামত ছপা কৰা বিত্ত সম্পাদক আৰু সাধাৰণ সম্পাদকৰ চহী সম্বলিত ৰচীদ বহীৰ যোগেদি ধন সংগ্ৰহ কৰিব।

ধাৰা (খ) আঞ্চলিক/জিলা সমিতি সমূহেও একে ধৰণৰ ৰচীদ বহী ছপাব পাৰিব।

অনুচ্ছেদ ১৫ ঃ হিচাব পৰীক্ষক -

ধাৰা (ক)কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে এজন হিচাব পৰীক্ষক নিযুক্ত কৰিব।

ধাৰা (খ) হিচাব পৰীক্ষকৰ প্ৰতিবেদনক ৰাজ্যিক কাৰ্য্যনিৰ্বাহকে চূড়ান্ত বুলি মানি লব লাগিব।

ধাৰা (গ) হিচাব পৰীক্ষকজন কাৰ্য্যনিৰ্বাহকৰ সদস্য ভিতৰৰ পৰা হব লাগিব।

অনুচ্ছেদ ১৬ ঃ স্বীকৃতি -

ধাৰা (ক) সন্থাৰ লক্ষ্য, উদ্দেশ্য আৰু কৰ্মসূচীৰ প্ৰতি আনুগত্য থকা সকলো কোচ-ৰাজবংশী জাতিৰ ছাত্ৰ সংগঠনে সন্থাৰ পৰা স্বীকৃতি বিছাৰিব পাৰে।

OKDISCD

উপধাৰা (ক) স্বীকৃতিৰ বাবে নিৰ্দ্দিষ্ট প্ৰ-পত্ৰত আবেদন কৰিব লাগিব।

উপধাৰা (খ) স্বীকৃতি সম্বন্ধীয় সকলো সিদ্ধান্ত কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

অনুচ্ছেদ ১৭ ঃ স্বীকৃতি বাতিল -

ধাৰা (ক) তলত দিয়া কাৰণত স্বীকৃতি কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে বাতিল কৰিব পাৰিব।

উপধাৰা (ক) সন্থাৰ লক্ষ্য আৰু উদ্দেশ্যৰ পৰিপন্থী কামত লিপ্ত হলে।

উপধাৰা (খ) সন্থাৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে সংবিধান অনুযায়ী প্ৰস্তুত কৰা কাৰ্য্যসূচীৰ অৱমাননা কৰিলে।

অনুচ্ছেদ ১৮ ঃ সাধাৰণ সভা -

ধাৰা (ক) সন্থাৰ স্বীকৃতি প্ৰাপ্ত সমূহ আঞ্চলিক সন্থাৰ পৰা একোজনকৈ প্ৰতিনিধিক লৈ সাধাৰণ সভা গঠিত হ'ব। সাধাৰণ সভাত জিলা সন্থাৰ সভাপতি, সাধাৰণ সম্পাদক/সভাপতিৰ প্ৰতিনিধিত্ব কৰাৰ ক্ষমতা থাকিব।

ধাৰা (খ) বছৰত কমেও দুখন সাধাৰণ সভা আহ্বান কৰিব লাগিব। সাধাৰণ সভাই পৰবৰ্ত্তী অধিবেশনত গৃহীত প্ৰস্তাৱ সমূহ কাৰ্য্যকৰী ব্যৱস্থা আৰু সমিতিৰ প্ৰয়োজনীয় পৰামৰ্শ দিব পাৰিব।

অনুচ্ছেদ ১৯ ঃ উপদেষ্টা -

ধাৰা (ক) কোনো সংগঠন আৰু প্ৰত্যক্ষ ৰাজনীতিৰ লগত জড়িত নথকা সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ শুভাকাংখী যি কোনো কোচ ৰাজবংশী লোককে উপদেষ্টা হিচাবে কাৰ্য্যনিৰ্বাহকে মনোনীত কৰিব পাৰিব।

ধাৰা (খ) সন্থাৰ সংবিধান আৰু নীতি বিৰুদ্ধ কামত লিপ্ত হলে কাৰ্য্যনিৰ্বাহক সভাই উপদেষ্টাক অব্যাহতি দিব পাৰিব।

ধাৰা (গ) উপদেষ্টা দুজনতকৈ বেছি হ'ব নোৱাৰিব।

অনুচ্ছেদ ২০ ঃ সন্থাৰ লেখনী পত্ৰ (পেড) আৰু মোহৰ -

ধাৰা (ক) লেখনী পত্ৰৰ ওপৰ অংশত সন্থাৰ নাম ইংৰাজী আৰু অসমীয়াত লিখা থাকিব। ওপৰৰ অংশৰ বাওফালৰ কোণত সন্থাৰ প্ৰতীক চিহ্ন থাকিব। লিখনী পত্ৰত মুখ্য কাৰ্য্যালয়ৰ যোগাযোগৰ ঠিকনা থাকিব।

ধাৰা (খ) সন্থাৰ প্ৰতিজন পদবী ধাৰীয়ে সদস্যৰ চহীৰ তলত মোহৰ মাৰি লেনদেন কৰিলে তেনে লেনদেন বৈধ বুলি গণ্য হ'ব।

অনুচ্ছেদ ২১ ঃ প্ৰতিনিন্দন/অভিযোগ-

ধাৰা (ক) সন্থাৰ কোনো সদস্যৰ ওপৰত অভিযোগৰ কাৰণ বিতংভাবে দৰ্শাই সভাপতি/সম্পাদকৰ জৰিয়তে কেন্দ্ৰীয় সমিতিক জনাব লাগিব।

ধাৰা (খ) অভিযোগ সম্পৰ্কে কেন্দ্ৰীয় সমিতিয়ে বিচাৰ কৰি চূড়ান্ত সিদ্ধান্ত লব পাৰিব।

ধাৰা (গ) অভিযোগৰ মান্যতা প্ৰমাণ হলে কেন্দ্ৰীয় সমিতিয়ে নিম্নত ধৰণে ব্যৱস্থা লব পাৰিব।

উপধাৰা (ক) প্ৰস্তাব যোগে গৰিহণা, নিন্দা আদি ৰাজহুৱা বা আভ্যন্তৰীণ ভাবে দিব পাৰিব।

উপধাৰা (খ) সন্থাৰ মান্যতা অনুযায়ী কোনো সদস্যক সন্থাৰ পদবীৰ পৰা আঁতৰাব পাৰিব।

উপধাৰা (গ) সন্থাৰ সংবিধান বিৰোধী কামত লিপ্ত যিকোনা সদস্যক কেন্দ্ৰীয় সমিতিয়ে প্ৰাথমিক সদস্য পদৰ পৰা বহিস্কাৰ কৰিব পাৰিব।

অনুচ্ছেদ ২২ ঃ সংবিধান সংশোধনী (AMENDMENT OF CONSTITUTION)

ধাৰা (১) সংশোধনীৰ প্ৰস্তাৱ আহিলে পৰৱৰ্তী সন্থাৰ সাধাৰণ সভাত সেই প্ৰস্তাৱ উত্থাপণ কৰিব।

ধাৰা (২) সাধাৰণ সভাত সন্থাৰ দুই তৃতীয়াংশ সদস্যৰ সন্মতিত সংশোধনী আনিব পাৰিব।

অনুচ্ছেদ ২৩ ঃ সন্থাৰ মূল মন্ত্ৰ - "জয় শুক্লধ্বজ ৰাই, কমতাপুৰ ৰাজ্যৰ বিকল্প নাই।"

-ঃ সমাপ্ত ঃ-

OKDISCD